# 3 (Sem–3/CBCS) ASM HC 2

## 2024

## ASSAMESE

### ( Honours Core )

Paper : ASM–HC–3026

**( অসমীয়া কবিতাৰ চানেকি )**

Anandaram Dhekial Phookan College Library
Acc. No.
Date
Nagaon : Assam

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) মাধৱ কন্দলীয়ে কোন ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল ?

(খ) এগৰাকী পাঁচালী কবিৰ নাম লিখা।

(গ) শংকৰদেৱৰ 'শৰৎ বৰ্ণনা' কবিতাটো ভাগৱতৰ কোন স্কন্ধৰ পৰা অনা ?

(ঘ) 'ভীম চৰিত' কাব্য কোনগৰাকী কবিৰ ৰচনা ?

(ঙ) 'জোনাকী' আলোচনীখন কোন চনত প্ৰকাশ হৈছিল ?

(চ) 'দহিকতৰা' কাব্যপুথি কাৰ ৰচনা ?

(ছ) দেৱকান্ত বৰুৱাৰ 'মনোৰমা' কবিতাটো কোনখন কবিতা-পুথি অন্তৰ্ভুক্ত ?

(জ) নৱকান্ত বৰুৱাই সাহিত্য অকাদেমি পোৱা গ্ৰন্থখন কবিতা-পুথি হয়নে ?

(ঝ) প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতাটোৰ নাম লিখা।

(ঞ) নীলমণি ফুকনে কোন চনত জ্ঞানপীঠ বঁটা লাভ কৰিছিল ?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) মাধৱ কন্দলীক অপ্ৰমাদী কবি বুলি কোনে কৈছিল ? মাধৱ কন্দলী কোন শতিকাৰ কবি ?

(খ) শংকৰদেৱৰ এখন নাটক আৰু এখন তত্ত্বমূলক গ্ৰন্থৰ নাম লিখা।

(গ) চন্দ্ৰকুমাৰ আগৰৱালাই সম্পাদনা কৰা আলোচনীখনৰ নাম কি ? সেই আলোচনীখনৰেই আন এজন সম্পাদকৰ নাম লিখা।

(ঘ) জ্ঞানপীঠ বঁটা প্ৰাপক কবি নীলমণি ফুকনৰ দুখন কবিতা-পুথিৰ নাম লিখা।

(ঙ) 'আজি আকৌ মেজাংকৰিৰ এঙাচোলা পিন্ধি' কবিতাটো কাৰ ? এই কবিজনৰ একমাত্ৰ উপন্যাসখনৰ নামটো লিখা।





৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) দণ্ডকা অৰণ্যে দেৱী অযোধ্যা স্ৰজিলা।
নানা জাতি তৰু ফুল ফল সৰে ভৈলা॥
মালতী মধাই পাৰিজাত যে পলাশ।
প্ৰফুল্ল ফুলিতে আছে মলয়াৰ বাস॥

(খ) ৰাজাক সম্বুধি কহে শুকে যেবে
বাৰিষা সময় গৈল।
শৰত কালৰ যত মহাগুণ
সবেয়ো বিদিত ভৈল॥

(গ) উৰি ফুৰি বেজাৰৰ
হৃদয় ৰাগিণী তাৰ
বৰষি যে সিও গুচি গ'ল,
ক'ৰ কোন কিবা হ'ল
চিৰস্মৃতি পমি গ'ল
প্ৰকৃতি যে তেনেকৈয়ে ৰ'ল

(ঘ) জীৱনৰ ধ্ৰুৱতৰা মাৰ যাওঁ যাওঁ
অনন্তৰ অন্তিম বুকুত,
পৰম আনন্দ ৰূপ ধ্ৰুৱ জ্যোতিকণা
নাপাম নে আৰু সি লোকত ?

(ঙ) ''ডাৱৰে কি ক'লে : দিয়া আৰু দিয়া, নিঃশেষকৈ দিয়া,
আলিৰ কাষত গছপুলি ৰোৱা, এটা হাইস্কুল খোলা;''

Anandaram Dhekial Phookan College Library * Nagaon : Assam * Acc. No. Date

(চ) ‘‘শূন্যতাৰ হাতৰ পৰা সৰি পৰিল
দিনৰ হিৰন্ময় হৃদয়-পাত্ৰ
নিঃশব্দে সৰি পৰিল
আৰু বুৰ গ'ল।’’

Anandaram Dhekial Phookan College Library
Acc. No.
Date
* Nagaon : Assam *

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) মাধৱ কন্দলীৰ ‘চিত্ৰকূটৰ চিত্ৰ’ কবিতাটোৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰা।

*অথবা*

দুৰ্গাবৰৰ কাব্যকৃতি সম্পৰ্কে আলোচনা কৰা।

(খ) ‘শৰৎ বৰ্ণনা’ কবিতাত কবিয়ে শৰৎকালৰ পৰিৱেশ চিত্ৰণ কিদৰে কৰিছে, আলোচনা কৰা।

*অথবা*

‘দ্ৰৌপদীৰ বিলাপ’ কবিতাটোৰ সাৰাংশ লিখা।

(গ) ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্যসমূহ উদাহৰণসহ আলোচনা কৰা।

*অথবা*

‘প্ৰকৃতি’ কবিতাটোত ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্য কিদৰে প্ৰতিফলিত হৈছে, ব্যাখ্যা কৰা।

(ঘ) সাম্প্ৰতিক কবিতাৰ বিষয়ে ধাৰণা দি ‘পলস’ কবিতাটোত সাম্প্ৰতিক কবিতাৰ বৈশিষ্ট্য কেনেদৰে ফুটি উঠিছে, আলোচনা কৰা।

*অথবা*

‘ব্ৰহ্মপুত্ৰত সূৰ্য্যাস্ত’ কবিতাটোৰ মূলভাৱ লিখা।

★★★